**2021**

( March )

COMMERCE

( General / Speciality )

Course : 103

**( Financial Accounting )**

*The figures in the margin indicate full marks for the questions*

**( New Course )**

*Full Marks* : 80

*Pass Marks* : 24

*Time* : 3 hours

1. *(a)* তলত দিয়া প্ৰতিটোৰে এটা বাক্যত উত্তৰ দিয়া : 1×4=4

Answer in *one* sentence of each of the following :

*(i)* 'বিক্ৰীযোগ্য বস্তুৰ ব্যয়' মানে কি?

What is 'Cost of Goods Sold'?

*(ii)* 'কিস্তি পৰিশোধ পদ্ধতি' কি?

What is 'Instalment Payment System'?

*(iii)* 'আন্তঃশাখা প্ৰেৰণ' বুলিলে তুমি কি বুজা?

What do you mean by 'Inter-branch transfer'?

*(iv)* 'পট্টাদাৰ' কোন?

Who is a 'lessee'?



Scanned with OKEN Scanner

(*b*) খালী ঠাই পূৰণ কৰা : 1×4=4

Fill in the blanks :

(*i*) সাধাৰণতে ____-ৰ সময়ত চলিত আয় উপাৰ্জন কৰা হৈছে বুলি বিবেচনা কৰা হয়।

Revenue is generally recognized at the point of ____.

(*ii*) ভাড়া-ক্রয় পদ্ধতিত ক্রেতাই ____ মূল্যৰ ওপৰত অৱচয় ধাৰ্য কৰে।

In hire-purchase system, the buyer charges depreciation on ____ price.

(*iii*) শাখা হিচাপত প্রতিটো শাখাৰ ____ অস্তিত্ব থাকে।

In branch accounting, each branch has a ____ entity.

(*iv*) স্বত্বকৰ হিচাপত ন্যূনতম খাজনাক ____ বুলিও জনা যায়।

Minimum rent is also known as ____ in Royalty Account.

**2.** চমু টোকা লিখা (যি কোনো চাৰিটা) : 4×4=16

Write short notes on (any *four*) :

(*a*) হিচাপবিদ্যাৰ 6 নং মানকৰ বিধানসমূহ

The provisions of Accounting Standard–6

(*b*) ভাড়া-ক্রয় পদ্ধতি

Hire-purchase system

(*c*) প্রেৰিত অৱস্থাত থকা নগদ ধন আৰু প্রেৰিত অৱস্থাত থকা পণ্যসামগ্রী

Cash-in-transit and Goods-in-transit

(*d*) উপ-লীজ

Sublease

(*e*) হ্রস্ব-উৎপাদন

Shortworkings



Scanned with OKEN Scanner

3. (a) হিচাপবিদ্যাৰ মানকসমূহ কি কি? হিচাপবিদ্যাৰ মানক প্ৰণয়নৰ প্ৰক্ৰিয়া উল্লেখ কৰা। হিচাপবিদ্যাৰ মানকৰ পৰিসৰৰ বিষয়ে আলোচনা কৰা। 2+7+5=14

What are Accounting Standards? Mention the procedure of issuing Accounting Standards. Discuss the scope of Accounting Standards.

অথবা / Or

(b) তলত A আৰু B-ৰ ব্যৱসায়ৰ মিলন বিবৃতি 2020 চনৰ 31 মাৰ্চত দিয়া হ'ল :

Following is the Trial Balance of A and B as on 31st March, 2020 :

মিলন বিবৃতি / Trial Balance

| ডেবিট স্থিতিসমূহ<br>*Dr. Balances* | টকা<br>₹ | ক্ৰেডিট স্থিতিসমূহ<br>*Cr. Balances* | | টকা<br>₹ |
|---|---|---|---|---|
| মজুত পণ্য (01.04.2019 তাৰিখত)<br>Stock (On 01.04.2019) | 2,00,000 | মূলধনৰ হিচাপ :<br>Capital A/cs : | | |
| প্ৰাপ্য বিল<br>Bills Receivable | 25,000 | *A* | 1,80,000 | |
| | | *B* | 1,50,000 | 3,30,000 |
| ক্ৰয়<br>Purchases | 2,75,000 | বিক্ৰী<br>Sales | | 4,00,000 |
| বিক্ৰী ঘূৰাই<br>Returns Inward | 5,000 | দেয় বিল<br>Bills Payable | | 20,000 |
| যন্ত্ৰপাতি<br>Plant and Machinery | 1,00,000 | ক্ৰয় ঘূৰাই<br>Returns Outward | | 4,500 |
| আচবাবপত্ৰ<br>Furniture | 50,000 | বিবিধ পাওনাদাৰ<br>Sundry Creditors | | 1,90,000 |
| বিবিধ দেনাদাৰ<br>Sundry Debtors | 1,20,000 | | | |
| বেংকত জমা<br>Cash at Bank | 76,000 | | | |
| দৰমহা<br>Salaries | 12,000 | | | |
| মজুৰি<br>Wages | 19,000 | | | |



Scanned with OKEN Scanner

| ডেবিট ছিতিসমূহ<br>*Dr. Balances* | | টকা<br>₹ | ক্ৰেডিট ছিতিসমূহ<br>*Cr. Balances* | টকা<br>₹ |
|---|---|---|---|---|
| ভাড়া আৰু কৰ<br>Rent and Taxes | | 11,500 | | |
| বীমা<br>Insurance | | 3,000 | | |
| ছপা আৰু মনিহাৰী দ্ৰব্য<br>Printing and Stationery | | 2,000 | | |
| সাধাৰণ ব্যয়<br>General Expenses | | 6,500 | | |
| শক্তি আৰু ইন্ধন<br>Power and Fuel | | 4,500 | | |
| আহৰণ :<br>Drawings : | | | | |
| *A* | 20,000 | | | |
| *B* | 15,000 | 35,000 | | |
| | | 9,44,500 | | 9,44,500 |

তলত দিয়া অতিৰিক্ত তথ্যসমূহ বিচাৰ কৰি *A* আৰু *B*-ৰ 2020 চনৰ 31 মাৰ্চত কিনা-বেচা আৰু লাভ-লোকচানৰ হিচাপ আৰু উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা : 4+5+5=14

From the following additional information, you are required to prepare Trading and Profit & Loss A/c and also Balance Sheet of *A* and *B* for the year ended on 31st March, 2020 :

(i) 31.03.2020 তাৰিখে মজুত পণ্য—1,70,000 টকা

Stock as on 31.03.2020—₹ 1,70,000

(ii) 4,000 টকাৰ বাকীত বিক্ৰী হিচাপত লিখা হোৱা নাই

A credit sale of ₹ 4,000 has not been recorded in the books

(iii) 6,000 টকাৰ বীমা নকৰা মজুত পণ্য জুইত পুৰি নষ্ট হয়

Uninsured stock worth ₹ 6,000 has been destroyed by fire

4. *(a)* তলত দিয়াবোৰৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা : 7+7=14

Distinguish between the following :

*(i)* ভাড়া-ক্ৰয়ৰ বিক্ৰী আৰু বাকী বিক্ৰী

Hire-purchase sale and Credit sale

*(ii)* ভাড়া-ক্ৰয় পদ্ধতি আৰু কিস্তি-ক্ৰয় পদ্ধতি

Hire-purchase system and Instalment purchase system

অথবা / *Or*

*(b)* 2017 চনৰ 1 এপ্ৰিলত ডেল্টা কোম্পানীয়ে চানী মটৰছ্-ৰ পৰা এটা মটৰগাড়ী ভাড়া-ক্ৰয় পদ্ধতিত ক্ৰয় কৰে। চুক্তি সাপেক্ষে চুক্তিৰ লগে লগে 1,20,000 টকা দিব লাগিব আৰু অৱশিষ্ট অংশ 1,20,000 টকাকৈ তিনিটা বাৰ্ষিক কিস্তিত প্ৰতি বছৰৰ 31 মাৰ্চত পৰিশোধ কৰিব লাগিব। মটৰগাড়ীখনৰ নগদ মূল্য আছিল 4,50,000 টকা

Delta Company purchases a motorcar from Sunny Motors on the Hire-purchase System on 01.04.2017. The terms of payment were ₹ 1,20,000 payable immediately on delivery and the balance in three equal annual instalments of ₹ 1,20,000 each on 31st March every year. The cash price of the motorcar was ₹ 4,50,000

বিক্ৰেতাই বছৰি পাবলগীয়া টকাৰ ওপৰত শতকৰা 5 টকা হাৰত সুদ ধাৰ্য কৰিছিল। ক্ৰমহ্ৰাসমান বিধি অনুসৰি শতকৰা বছৰি 10 টকা হাৰত অৱচয় ধাৰ্য কৰিব লাগে

The vendor charged interest @ 5% per annum on the yearly balances. Depreciation @ 10% per annum was written-off on the written-down value method

উপৰোক্ত বিৱৰণীৰ পৰা ডেল্টা কোম্পানীৰ বহীত উক্ত সময়ৰ বাবে তলত উল্লিখিত খতিয়ানসমূহ প্ৰস্তুত কৰা : 5+5+2+2=14

From the above particulars, prepare the following ledgers in the books of Delta Company for the period :

*(i)* মটৰগাড়ীৰ হিচাপ

Motorcar A/c

*(ii)* চানী মটৰছ্-ৰ হিচাপ

Sunny Motors' A/c

*(iii)* অৱচয়ৰ হিচাপ

Depreciation A/c

*(iv)* সুদৰ হিচাপ

Interest A/c



Scanned with OKEN Scanner

5. (a) 'শাখা' মানে কি? শাখাৰ হিচাপ ৰখাৰ মুখ্য উদ্দেশ্যসমূহ কি কি? আন্তঃশাখাৰ লেনদেনসমূহ শাখাৰ হিচাপত কেনেকৈ লিপিবদ্ধ কৰা হয়? 2+7+5=14

What is a 'Branch'? What are the main objectives of maintaining Branch Accounts? How are inter-branch transactions recorded in the Branch Account?

অথবা / Or

(b) তলত দিয়া তথ্যসমূহৰ পৰা বৰুৱা ব্ৰাদাৰ্চৰ দুটা বিভাগৰ বাবে স্তম্ভাকাৰত 2020 চনৰ 31 মাৰ্চ তাৰিখে সমাপ্ত হোৱা বছৰৰ বাবে বিভাগীয় কিনা-বেচা আৰু লাভ-লোকচানৰ হিচাপ আৰু একত্ৰিত আয়ৰ হিচাপ প্ৰস্তুত কৰা : 4+6+4=14

From the following particulars, prepare Departmental Trading and Profit & Loss A/c in columnar form for the two departments and thereafter the Combined Income A/c of Baruah Brothers for the year ended 31st March, 2020 :

| | বিভাগ—A<br>*Department—A*<br>টকা (₹) | বিভাগ—B<br>*Department—B*<br>টকা (₹) |
|---|---|---|
| 01.04.2019 তাৰিখত মজুত<br>Stock on 01.04.2019 | 30,000 | 5,000 |
| বহিঃক্ৰয়<br>Purchases from outside | 2,05,000 | 20,000 |
| মজুৰি<br>Wages | 10,000 | 1,000 |
| দৰমহা<br>Salaries | 3,600 | 2,400 |
| বিভাগ—*A*-ৰ পৰা স্থানান্তৰ<br>Transfer from Department—*A* | — | 50,000 |
| 31.03.2020 তাৰিখত মজুত<br>Stock on 31.03.2020 | 35,000 | 12,000 |
| বহিঃবিক্ৰয়<br>Sales to outsiders | 2,00,000 | 70,000 |



Scanned with OKEN Scanner

বিভাগ—*B*-ৰ সকলোখিনি সামৰণি মজুত বিভাগ—*A*-ৰ পৰা ক্ৰয়মূল্যৰ লগত 25% যোগেদি প্ৰেৰণ কৰা মজুত। প্ৰশাসনীয় আৰু বিক্ৰী ব্যয় 14,000 টকা দুয়োটা বিভাগৰ মাজত 6 : 1 অনুপাতত বিভাজন কৰিব লাগে।

The entire closing stock of Department—*B* represents goods transferred from Department—*A* at cost plus 25%. Administrative and Selling Expenses amounted to ₹ 14,000 which is to be allocated between the two departments in the ratio of 6 : 1.

**6.** *(a)* ৰাজুৱে এটা খনি 20 বছৰৰ বাবে লীজত লৈছিল। বাৰ্ষিক ন্যূনতম ভাড়া 1,20,000 টকাৰ চৰ্তত প্ৰতি টনত 10 টকাকৈ স্বত্বকৰ দিব লাগিব। প্ৰথম তিনি বছৰত হ্ৰস্ব-উৎপাদনৰ ধন আদায় ল'ব পাৰিব।

Raju took a lease of a mine for a period of 20 years. Royalty payable is ₹ 10 per ton subject to a minimum rent of ₹ 1,20,000 per annum. The shortworkings are recoupable during the first three years of the lease.

খনিৰ পৰা আহৰণ কৰা সামগ্ৰীৰ পৰিমাণ আছিল এনেধৰণৰ :

The output were :

| বছৰ<br>*Year* | উৎপাদন (টনত)<br>*Output* (in tons) |
|---|---|
| 2016–17 | শূন্য (Nil) |
| 2017–18 | 4000 |
| 2018–19 | 20000 |
| 2019–20 | 40000 |

ৰাজুৰ বহীত জাবেদা প্ৰবিষ্টিসমূহ লিখা আৰু নিম্নোক্ত হিচাপসমূহ প্ৰস্তুত কৰা : 6+3+2+3=14

Give Journal Entries in the books of Raju and prepare the following Ledger A/cs :

*(i)* স্বত্বকৰৰ হিচাপ

Royalties A/c

*(ii)* হ্ৰস্ব-উৎপাদনৰ হিচাপ

Shortworkings A/c

*(iii)* ভূস্বামীৰ হিচাপ

Landlord's A/c



Scanned with OKEN Scanner

অথবা / Or

*(b)* *(i)* 'স্বত্বকৰ' কি ? ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ কি কি ? প্ৰতিবিধৰ চমুকৈ আলোচনা কৰা । 2+3+3=8

What is 'Royalty'? What are its different types? Discuss each of them in brief.

*(ii)* 'হ্ৰস্ব-উৎপাদন ক্ষতিপূৰণ' বুলিলে তুমি কি বুজা ? হ্ৰস্ব-উৎপাদন ক্ষতিপূৰণৰ বাবে কি কি চৰ্ত পূৰণ কৰিবলগীয়া হয় ? 2+4=6

What do you mean by 'Recoupment of shortworkings'? What conditions are to be satisfied for recoupment of shortworkings?



Scanned with OKEN Scanner

## ( Old Course )

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

1. *(a)* খালী ঠাই পূৰণ কৰা : 1×4=4

Fill in the blanks :

*(i)* নগদ ধন প্ৰবাহ বিবৃতি হিচাপবিদ্যাৰ ____ নং মানক অনুযায়ী প্ৰস্তুত কৰা হয়।

Cash Flow Statement is prepared as per Accounting Standard ____.

*(ii)* ভাড়া-ক্ৰয় পদ্ধতিত ক্ৰেতাই পৰিশোধ কৰিবলগা মুঠ ধনৰ পৰিমাণক ____ মূল্য বুলি কোৱা হয়।

The total amount to be paid by the buyer under Hire-purchase System is called ____ price.

*(iii)* দেনাদাৰ পদ্ধতিত শাখাৰ হিচাপে শাখাৰ ____ প্ৰকাশ কৰে।

Under Debtors System, Branch Account discloses ____ of the branch.

*(iv)* যেতিয়া কোনো এজন অংশীদাৰে নিজৰ দেনাখিনি পৰিশোধ কৰিবলৈ অসমৰ্থ হয়, তেন্তে তেওঁক ____ বুলি গণ্য কৰা হয়।

When a partner is not able to meet his liabilities, he is said to be ____.

*(b)* এটা বাক্যত উত্তৰ দিয়া : 1×4=4

Answer in *one* sentence :

*(i)* ভাৰতবৰ্ষত হিচাপবিদ্যাৰ মানক পৰিষদ কেতিয়া গঠন কৰা হৈছিল?

When was Accounting Standard Board set up in India?

*(ii)* ভাড়া-ক্ৰয় পদ্ধতিত 'ভাড়া বিক্ৰেতা' কোন?

Who is a 'Hire vendor' under Hire-purchase System?

*(iii)* এটা 'স্বতন্ত্ৰ শাখা' কি?

What is an 'Independent Branch'?

*(iv)* 'পেটেণ্ট স্বত্বকৰ' কি?

What is 'Patent Royalty'?



Scanned with OKEN Scanner

**2.** চমু টোকা লিখা (যি কোনো চাৰিটা) : 4×4=16

Write short notes on (any *four*) :

*(a)* IFR মানকসমূহ
IFR Standards

*(b)* পূর্ণ অধিগ্রহণ
Complete Repossession

*(c)* বিদেশী শাখা
Foreign Branch

*(d)* প্রতিষ্ঠানসমূহৰ একত্রীকৰণ
Amalgamation of Firms

*(e)* শিলাগত ভাড়া
Rock Rent

**3.** *(a)* *(i)* সর্বসাধাৰণৰ গ্রহণযোগ্য হিচাপকৰণৰ নীতিসমূহৰ উদ্ভাৱন আৰু বিকাশকৰণৰ আৱশ্যকতা সম্পর্কে আলোচনা কৰা। 8

Discuss the need for introducing and developing Generally Accepted Accounting Principles.

*(ii)* হিচাপকৰণৰ নীতি আৰু হিচাপকৰণৰ মানকৰ মাজত থকা প্রভেদসমূহ উল্লেখ কৰা। 4

Distinguish between Accounting Principles and Accounting Standards.

*অথবা / Or*

*(b)* নিম্নলিখিত মিলন বিবৃতিৰ পৰা 31 মার্চ, 2020 চনৰ অন্ত পৰা মিষ্টাৰ পাঠকৰ বহীত কিনা-বেচাৰ হিচাপ আৰু লাভ-লোকচানৰ হিচাপ প্রস্তুত কৰা আৰু উক্ত তাৰিখত এখনি উদ্বৃত্ত-পত্র প্রস্তুত কৰা : 4+4+4=12

From the following Trial Balance of Mr. Pathak, you are required to prepare Trading and Profit & Loss A/c for the year ended 31st March, 2020 and a Balance Sheet as on that date :

*মিলন বিবৃতি / Trial Balance*

| *ডেবিট স্থিতিসমূহ* *Dr. Balances* | টকা ₹ | *ক্রেডিট স্থিতিসমূহ* *Cr. Balances* | টকা ₹ |
|---|---|---|---|
| আৰম্ভণি সম্ভাৰ Opening Stock | 50,000 | বিক্রয় Sales | 14,00,000 |
| আচবাবপত্র Furniture | 32,000 | পাওনাদাৰ Creditors | 1,45,000 |
| ক্রয় Purchases | 11,10,000 | বেংক অধিবিকর্ষ Bank Overdraft | 1,00,000 |



Scanned with OKEN Scanner

| ডেবিট স্থিতিসমূহ<br>*Dr. Balances* | টকা<br>₹ | ক্রেডিট স্থিতিসমূহ<br>*Cr. Balances* | টকা<br>₹ |
|---|---|---|---|
| অন্তৰ্বহন ব্যয়<br>Carriage Inward | 10,000 | অনুদ্ধাৰণীয় ঋণৰ সংচিতি<br>Provision for Doubtful Debts | 4,200 |
| অনুদ্ধাৰণীয় ঋণ<br>Bad Debts | 3,600 | বাট্টা<br>Discount | 1,000 |
| মজুৰি<br>Wages | 1,04,000 | ক্ৰয় ফিৰৎ<br>Purchase Return | 40,000 |
| দেনাদাৰ<br>Debtors | 1,60,000 | মূলধন<br>Capital | 4,00,000 |
| বিক্ৰয় ফিৰৎ<br>Sales Return | 30,000 | | |
| ভাড়া<br>Rent | 48,000 | | |
| দৰমহা<br>Salaries | 1,36,000 | | |
| নগদ ধন<br>Cash | 17,800 | | |
| আহৰণ<br>Drawings | 28,000 | | |
| ভৱন<br>Buildings | 3,20,000 | | |
| বিজ্ঞাপন<br>Advertisement | 20,000 | | |
| বেংক অধিবিকৰ্ষৰ ওপৰত সুদ<br>Interest on Bank Overdraft | 14,000 | | |
| বিবিধ খৰছ<br>Sundry Expenses | 6,800 | | |
| | 20,90,200 | | 20,90,200 |

*সমযোজনাসমূহ* :

*Adjustments* :

(i) সামৰণি মজুতৰ মূল্য—72,000 টকা
Closing Stock is valued at ₹ 72,000

(ii) সন্দেহজনক ঋণৰ সংচিতি বছৰি 5% হাৰত দেনাদাৰৰ ওপৰত ব্যৱস্থা কৰিব লাগে
Make a provision for Bad and Doubtful Debts @ 5% on Debtors

(iii) আচবাবপত্ৰৰ ওপৰত 10% হাৰত অৱচয় ধাৰ্য কৰিব লাগে
Depreciate furniture by 10%

(iv) মূলধনৰ ওপৰত বছৰি 6% হাৰত সুদ ধাৰ্য কৰিব লাগে
Provision for interest on capital @ 6% p.a.

**4.** (a) ভাড়া-ক্ৰয় পদ্ধতি আৰু কিস্তি-ক্ৰয় পদ্ধতিৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা। 1972 চনৰ ভাড়া-ক্ৰয় আইনত থকা ভাড়া বিক্ৰেতাৰ যি কোনো চাৰিটা অধিকাৰৰ বিষয়ে উল্লেখ কৰা। 7+4=11

Distinguish between Hire-purchase System and Instalment Purchase System. Mention any four rights of hire vendor as laid down in the Hire-purchase Act, 1972.

অথবা / *Or*

(b) এখন মটৰগাড়ী ভাড়া-ক্ৰয় পদ্ধতিত 1 এপ্ৰিল, 2017 তাৰিখে কিনা হৈছিল। চৰ্ত এনেধৰণৰ আছিল যে চুক্তিৰ লগে লগে 20,000 টকা আদায় দিব লাগিব আৰু বাকী থকা টকা বছৰি 5% সুদৰ সৈতে তলত দিয়া ধৰণে পৰিশোধ কৰিব লাগিব :

A motorcar was purchased on 1st April, 2017 under hire-purchase system. The payment was to be made ₹ 20,000 down and the balance including interest @ 5% p.a. were as follows :

| | টকা (₹) |
|---|---|
| 2018 চনৰ 31 মাৰ্চ তাৰিখে<br>As on 31st March, 2018 | 60,000 |
| 2019 চনৰ 31 মাৰ্চ তাৰিখে<br>As on 31st March, 2019 | 77,500 |
| 2020 চনৰ 31 মাৰ্চ তাৰিখে<br>As on 31st March, 2020 | 84,000 |

মটৰগাড়ীখনৰ নগদ মূল্য নিৰ্ধাৰণ কৰা আৰু ভাড়া-ক্ৰয় ক্ৰেতাৰ বহীত ভাড়া-ক্ৰয় বিক্ৰেতাৰ হিচাপ প্ৰস্তুত কৰা। 6+5=11

Ascertain the cash price of the motorcar and prepare Hire Vendor's A/c in the books of Hire Purchaser.

**5.** (a) 'শাখা হিচাপ' কি? ইয়াৰ মুখ্য উদ্দেশ্যসমূহ কি কি? আন্তঃশাখা লেনদেনসমূহ শাখা হিচাপসমূহত কেনেদৰে লিপিবদ্ধ কৰা হয়? 2+5+4=11

What is 'Branch Account'? What are its main objectives? How are inter-branch transactions recorded in Branch Accounts?



Scanned with OKEN Scanner

অথবা / *Or*

*(b)* লুইত লিমিটেডৰ তিনিচুকীয়াত এটা শাখা আছে যিটোৱে পণ্যবস্তু ক্রয়মূল্য যোগ 25% হিচাপে বিক্রী কৰে। তলত উল্লেখ কৰা তথ্যসমূহৰ পৰা সামৰণি সম্ভাৰৰ মূল্য নিৰূপণ কৰা আৰু 2020 চনৰ 31 মার্চত অন্ত পৰা বছৰটোৰ বাবে তিনিচুকীয়া শাখাৰ হিচাপ প্রস্তুত কৰা : 3+8=11

Luit Ltd. has a branch at Tinsukia which sells goods at cost plus 25%. From the following particulars, calculate the value of closing stock and prepare Tinsukia Branch A/c for the year ended 31st March, 2020 :

| | | টকা (₹) |
|---|---|---|
| 01.04.2019 তাৰিখে শাখাৰ সম্ভাৰ<br>Stock at branch on 01.04.2019 | | 22,000 |
| শাখালৈ পণ্যবস্তু প্ৰেৰণ<br>Goods sent to branch | | 1,78,000 |
| শাখাত নগদ বিক্ৰয়<br>Cash sales at branch | | 2,00,000 |
| মুখ্য কাৰ্যালয়ৰ দ্বাৰা ব্যয় পৰিশোধ :<br>Expenses paid by Head Office : | | |
| দৰমহা<br>Salaries | 5,000 | |
| বিজ্ঞাপন<br>Advertisement | 2,000 | 7,000 |

প্ৰকৃত লাভৰ ওপৰত দস্তুৰি ধাৰ্য কৰাৰ পাছত 10% হাৰত শাখাৰ পৰিচালকৰ হিচাপত দস্তুৰি প্ৰদান কৰিব লাগে।

A commission of 10% on the net profit after charging such commission is to be credited to Branch Manager.

**6.** *(a)* 'স্বত্বকৰ' কি? ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ উল্লেখ কৰা। স্বত্বকৰ কিদৰে ভাড়াৰ পৰা পৃথক? 3+3+5=11

What is 'Royalty'? State its different types. How does royalty differ from rent?

অথবা / *Or*

*(b)* শ্ৰীমোহন বৰুৱাই শ্ৰীঅনিল সিঙৰ পৰা এটা কয়লাখনি 2015 চনৰ 1 এপ্ৰিল তাৰিখৰ পৰা 20 বছৰৰ বাবে লীজত ল'লে। বছৰেকীয়া ন্যূনতম খাজনা 80,000 টকাত নিৰ্ধাৰিত হ'ল আৰু প্ৰতি টন উৎপাদিত কয়লাত 16 টকা স্বত্বকৰ দিয়াৰ চৰ্তত চুক্তিবদ্ধ হ'ল। চুক্তি অনুসৰি প্ৰথম চাৰি বছৰৰ ভিতৰত স্বত্বকৰৰ পৰা হ্ৰস্ব-উৎপাদনৰ পৰিমাণ আদায় লোৱাৰ অধিকাৰ থাকিব।

Sri Mohan Baruah took a colliery from Sri Anil Singh on lease for a period of 20 years from 1st April, 2015 on a royalty of ₹ 16 per ton of coal raised with a minimum rent of ₹ 80,000 per annum and power to recoup shortworkings in the first four years of the lease.



Scanned with OKEN Scanner

বাৰ্ষিক কয়লা উৎপাদনৰ পৰিমাণ তলত দিয়া ধৰণৰ আছিল :

The annual coal raised were as follows :

| বছৰ<br>*Year* | উৎপাদন (টনত)<br>*Output* (in tons) |
|---|---|
| 2015–16 | 3000 |
| 2016–17 | 3500 |
| 2017–18 | 5000 |
| 2018–19 | 8000 |
| 2019–20 | 10000 |

উপৰোক্ত তথ্যৰ পৰা শ্ৰীমোহন বৰুৱাৰ বহীত প্ৰস্তুত কৰা—

From the above particulars, prepare in the books of Sri Mohan Baruah—

*(i)* স্বত্বকৰৰ হিচাপ;
Royalty's A/c;

*(ii)* শ্ৰীঅনিল সিঙৰ হিচাপ;
Sri Anil Singh's A/c;

*(iii)* হ্ৰস্ব-উৎপাদনৰ হিচাপ। 4+4+3=11
Shortworking's A/c.

**7.** *(a)* অংশীদাৰী প্ৰতিষ্ঠান এটাৰ বিলুপ্তিকৰণ বুলিলে কি বুজা? অংশীদাৰী বিলুপ্তিকৰণৰ সৈতে ইয়াৰ প্ৰভেদসমূহ কি কি? বিলুপ্তিকৰণৰ বিভিন্ন প্ৰকাৰসমূহ চমুকৈ আলোচনা কৰা। 2+3+6=11

What do you mean by Dissolution of a Partnership Firm? How does it differ from Dissolution of Partnership? Discuss in brief the different forms of dissolution.

*অথবা / Or*

*(b)* *X* আৰু *Y* দুয়োজন এক-মালিকী ব্যৱসায়ী। তেওঁলোকে নিজৰ ব্যৱসায় প্ৰতিষ্ঠান একত্ৰীকৰণ কৰাৰ ইচ্ছা প্ৰকাশ কৰে আৰু এটা নতুন প্ৰতিষ্ঠান গঠন কৰিবলৈ সন্মত হয়। তেওঁলোকৰ ব্যৱসায় প্ৰতিষ্ঠানৰ উদ্বৃত্ত-পত্ৰ 2020 চনৰ 31 মাৰ্চ তাৰিখৰ দিনা তলত দিয়া ধৰণৰ আছিল :

*X* and *Y* are two sole traders. They desire to amalgamate their businesses and form a new firm. The Balance Sheets of their businesses as on 31st March, 2020 were as follows :

*31 মাৰ্চ, 2020 তাৰিখৰ X-ৰ উদ্বৃত্ত-পত্ৰ*

*Balance Sheet of X as on 31st March, 2020*

| *দেয় (Liabilities)* | টকা (₹) | *সম্পত্তি (Assets)* | টকা (₹) |
|---|---|---|---|
| বিবিধ পাওনাদাৰ (Sundry Creditors) | 50,000 | আচবাবপত্ৰ (Furniture) | 1,10,000 |
| মূলধন (Capital) | 2,00,000 | মজুত (Stock) | 1,20,000 |
| লাভ-লোকচানৰ হিচাপ (Profit & Loss A/c) | 30,000 | নগদ ধন (Cash) | 50,000 |
| | 2,80,000 | | 2,80,000 |



Scanned with OKEN Scanner

*31 মাৰ্চ, 2020 তাৰিখৰ Y-ৰ উদ্বৃত্ত-পত্ৰ*

*Balance Sheet of Y as on 31st March, 2020*

| দেয় (*Liabilities*) | টকা (₹) | সম্পত্তি (*Assets*) | টকা (₹) |
|---|---|---|---|
| বিবিধ পাওনাদাৰ (Sundry Creditors) | 1,10,000 | আচবাবপত্ৰ (Furniture) | 1,60,000 |
| মূলধন (Capital) | 2,60,000 | সম্ভাৰ (Stock) | 1,80,000 |
| | | নগদ ধন (Cash) | 6,000 |
| | | লাভ-লোকচানৰ হিচাপ (ডেবিট) Profit & Loss A/c (Dr.) | 24,000 |
| | 3,70,000 | | 3,70,000 |

তোমাক কোৱা হ'ল—

You are required to—

(*i*) *X*-ৰ হিচাপবহী বন্ধ কৰিবৰ বাবে;
close the books of *X*;

(*ii*) *Y*-ৰ হিচাপবহী বন্ধ কৰিবৰ বাবে;
close the books of *Y*;

(*iii*) নতুন প্ৰতিষ্ঠানৰ উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰিবৰ বাবে। 4+4+3=11
draw up the Balance Sheet of the new firm.

★★★



Scanned with OKEN Scanner